# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-NOV-2025
**Time :** 1715 HRS

# *Assamese Evening Bulletin*

——————————————————————

ooooo

দেশৰ বিভিন্ন খণ্ডত শেহতীয়া বিকাশে  নতুন চিন্তাৰ উদ্ভাৱন আৰু যুৱ শক্তিক উদ্ভাসিত কৰি তুলিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আকাশবাণীৰ মন কী বাত অনুষ্ঠানত প্ৰকাশ কৰিছে। তেওঁ এই ক্ষেত্ৰত হায়দৰাবাদত নতুনকৈ উন্মোচন কৰা বিশ্বৰ সৰ্ববৃহৎ লিপ ইঞ্জিন এম আৰ অ'ৰ ব্যৱস্থা, ভাৰতীয় নৌসেনাত আই এন এছ্ মাহেৰ অন্তৰ্ভুক্তি আৰু দেশত স্কাইৰুটৰ ইনফিনিটি চৌহদ মুকলি কৰাৰ দৰে বিষয়সমূহৰ উদাহৰণ দাঙি ধৰে। শ্ৰীমোদীয়ে কৃষিখণ্ডত লাভ কৰা গুৰুত্বপূৰ্ণ সাফল্যত আলোকপাত কৰি কয় যে খাদ্য শস্যৰ উৎপাদনৰ পৰিমাণ ৩৫ কোটি ৭০ লাখ টনলৈ বৃদ্ধি কৰি ভাৰতে অভিলেখ সৃষ্টি কৰিছে।

মাত্ৰ কেইদিনমানৰ পূৰ্বে ভাৰতে কমনৱেল্থ ক্ৰীড়া সমাৰোহৰ আয়োজক দেশ হিচাপে স্বীকৃতি লাভ কৰাৰ প্ৰসংগ উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে ক্ৰীড়া ক্ষেত্ৰতো দেশখনে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে।

**বাইট**

ভাৰতীয় নৌ সেনাত আই এন এছ্ মাহেৰ অন্তৰ্ভুক্তিক লৈ শ্ৰীমোদীয়ে কয় যে ভাৰতৰ পৰিৱেশ তন্ত্ৰৰ সুৰক্ষা শক্তিশালী কৰি তোলাক লৈ প্ৰতিগৰাকী ভাৰতীয়ই গৌৰৱ অনুভৱ কৰে। শ্ৰীমোদীয়ে লগতে ভাৰতীয় মহাকাশ গৱেষণা প্ৰতিষ্ঠান ইছৰোই আয়োজন কৰা অনন্য ড্ৰোণ প্ৰতিযোগিতাৰ কথা উল্লেখ কৰি কয় যে এই প্ৰতিযোগিতাত বহুসংখ্যক যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে আৰু এই যুৱচামৰ সমৰ্পনৰ মনোভাৱেই হৈছে বিকশিত ভাৰতৰ উল্লেখনীয় শক্তি।

প্ৰধানমন্ত্ৰীগৰাকীয়ে মন কী বাত অনুষ্ঠানক দেশৰ জনসাধাৰণৰ সফলতাসমূহ উদযাপন কৰা আৰু ভিন ভিন লোকৰ বিভিন্ন ক্ষেত্ৰত সফলতা তথা প্ৰচেষ্টাসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ এখন আকৰ্ষণীয় মঞ্চ প্ৰকাশ কৰে।

ooooo

সংসদৰ শীতকালীন অধিৱেশন কাইলৈ আৰম্ভ হ'ব। অধিবেশনৰ পূৰ্বে আজি সংসদ ভৱনত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত ৩৬টা ৰাজনৈতিক দলৰ ৫০জন নেতাই অংশগ্ৰহণ কৰে। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয় যে ইতিবাচক পৰিবেশত এই বৈঠক অনুষ্ঠিত হয় আৰু চৰকাৰে সংসদীয় শীতকালীন অধিবেশন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ৰাজনৈতিক দলৰ নেতাকে সহযোগিতা

আগবঢ়াবলৈ আহ্বান জনায়। এইবাৰৰ অধিবেশনত যিকোনো গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰিবলৈ চৰকাৰ সাজু আছে বুলি শ্ৰীৰিজিজুৱে উল্লেখ কৰে।

১৯ ডিচেম্বৰ পৰ্যন্ত চলিবলগীয়া এই অধিবেশনৰ সময়ছোৱাত ১৫খন বিধেয়ক সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

৬ জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত মন্ত্ৰীগোটে কালি প্ৰতিবেদন দাখিল কৰাৰ পিছতে বিভিন্ন জনজাতীয় দলসংগঠন প্ৰতিবাদমুখৰ হৈ পৰিছে। আজি সদৌ অসম ট্ৰাইবেল সংঘৰ উদ্যোগত কেইবাটাও জনজাতীয় সংগঠনে মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদন দাহ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। পলটনবজাৰত থকা জনজাতীয় জিৰণি চ'ৰাত প্ৰতিবেদন দাহ কৰি ট্ৰাইবেল সংঘৰ নেতা আদিত্য খাখলাৰীয়ে কয় যে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই সিদ্ধান্তই জনজাতীয় লোকসকলক অধিক বঞ্চিত কৰিব। সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত যথেষ্ট আগবাঢ়ি থকা তথা জনবহুল জনগোষ্ঠীসমূহক উপত্যকা জনজাতি হিচাপে স্বীকৃতি দি মন্ত্ৰীগোটে দাখিল কৰা প্ৰতিবেদন কোনো পৰিস্থিতিতেই মানি লোৱা নহ'ব বুলিও খাখলাৰীয়ে মন্তব্য কৰে। জনজাতীয় নেতাগৰাকীয়ে এসপ্তাহৰ ভিতৰত মুখ্যমন্ত্ৰী পৰ্যায়ত এখন উচ্চস্তৰীয় বৈঠক অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰক দাবী জনায়। এনে আলোচনা অনুষ্ঠিত নকৰিলে অধিক আন্দোলনৰ হুংকাৰ দি খাখলাৰীয়ে কয় যে, কাইলৈ সমগ্ৰ অসমতে ট্ৰাইবেল সংঘ আৰু জনজাতীয় সংগঠনসমূহৰ সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত সমগ্ৰ অসমতে মন্ত্ৰীগোটৰ প্ৰতিবেদন দাহ কৰা হ'ব। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত নিখিল বড়ো ছাত্ৰ সন্থাৰ নেতা দীপেন বড়োকে ধৰি আন আন সংগঠনৰ নেতাকৰ্মী উপস্থিত থাকে।

০০০০০

হোজাই জিলাত বিগত কিছুদিন ধৰি সঘনাই পথ দুৰ্ঘটনা সংঘটিত হৈ অহাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত যান-বাহন চলাচলৰ ক্ষেত্ৰত কিছু নিষেধাজ্ঞা আৰোপ কৰিছে। জিলাখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহত সন্ধিয়া ৫ বজাৰ পৰা পুৱা ৮ বজালৈ ডাম্পাৰৰ দৰে গধুৰ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। ৰাজ্যিক আৰু গ্ৰাম্য পথত সন্ধিয়া ৫ বজাৰ পৰা পুৱা ৬ বজালৈ ই-ৰিক্সা চলাচলত নিষেধাজ্ঞা আৰোপ কৰিছে। জিলা পৰিবহন বিষয়াই জনোৱা মতে ৰাষ্ট্ৰীয় ঘাইপথত সকলো ধৰণৰ গধুৰ বাহনৰ গতি ঘণ্টাত ৪০ কিলোমিটাৰ আৰু লঘু বাহনৰ গতিবেগ ঘণ্টাত ৬০ কিলোমিটাৰলৈ সীমাবদ্ধ কৰা হৈছে। পৌৰসভা আৰু গ্ৰাম্যাঞ্চলত সকলো ধৰণৰ বাহনৰ গতিবেগ ঘণ্টাত ৪০ কিলোমিটাৰলৈ সীমাবদ্ধ কৰা হৈছে। তদুপৰি হোজাই জিলাৰ ৰেংবেঙৰ পৰা লামডিং আৰু ডবকাৰ পৰা পাৰখোৱা সংযোগী ৰাষ্ট্ৰীয় ঘাইপথত বাহন ৰখাই থোৱাত নিষেধাজ্ঞা আৰোপ কৰিছে।

০০০০০

সমাপ্ত